

(প্ৰস্তাৱনা সংখ্যা)

1st Year, Vol - 1

# Prokriti

# প্ৰকৃতি

Department of Zoology, Bahona College, Jorhat.

Editor : Robin Bordoloi




# প্ৰকৃতি

বাহনা মহাবিদ্যালয়ৰ প্ৰাণীবিদ্যা বিভাগৰ
বছেৰেকীয়া বিজ্ঞান আলোচনী

প্ৰথম বৰ্ষ ঃ প্ৰস্তাৱনা সংখ্যা ঃ ২০১২

সম্পাদক
শ্ৰীৰবীন বৰদলৈ

প্ৰকৃতি ঃ প্ৰাণীবিদ্যা বিভাগৰ বছেৰেকীয়া বিজ্ঞান আলোচনী
প্ৰথম বৰ্ষ ঃ প্ৰস্তাৱনা সংখ্যা ঃ ২০১২ চন




## সম্পাদনা সমিতি

**উপদেষ্টা ঃ**

- ড° প্ৰসন্ন কুমাৰ দত্ত
  অধ্যক্ষ, বাহনা মহাবিদ্যালয়
- পূৰ্ণিমা দত্ত, মুৰব্বী অধ্যাপিকা
  প্ৰাণীবিদ্যা বিভাগ

**মূখ্য সদস্য ঃ**

- ড° ইন্দিৰা বৰুৱা, সহযোগী অধ্যাপিকা
  প্ৰাণীবিদ্যা বিভাগ
- ড° গায়ত্ৰী অগ্নি বৰা, সহকাৰী অধ্যাপিকা
  প্ৰাণীবিদ্যা বিভাগ
- বিজয় কুমাৰ বৰুৱা, দেমন্‌চট্ৰেটৰ
  প্ৰাণীবিদ্যা বিভাগ

**প্ৰাথমিক সদস্য ঃ**

- বনানি শইকীয়া, সুন্দৰ জিৎ সিং,
  মৃগাংক কলিতা, ৰঞ্জন দত্ত, মল্লিকা গগৈ,
  দেৱজিত পেগু, ডেনিয়েল পেগু,
  হেমন্ত শইকীয়া, মুনমী গগৈ

**সম্পাদক ঃ** • ৰবীন বৰদলৈ

**বেটুপাত লে আউট ঃ** • ড° ইন্দিৰা বৰুৱা
• চাহিদ মিৰ্জা

**প্ৰকাশক ঃ** • প্ৰাণীবিদ্যা বিভাগ, বাহনা মহাবিদ্যালয়

মুদ্ৰণ ঃ
ডি. পি. এণ্ড অফ্‌চেট প্ৰিন্টাচ্‌,
বি. জি. ৰোড (নিউ বালিবাট), যোৰহাট- ১, দুৰভাষ ঃ ৯৮৬৪২৫৪২৫৫

# উচৰ্গা



**প্ৰয়াত দিলীপ কুমাৰ দে**

(মৃত্যু ঃ ২৬/০৩/২০০২)

দিলীপ কুমাৰ দে এক নমস্য ব্যক্তি, যাৰ নামেই পৰিচয়। বাহনা মহাবিদ্যালয়ৰ প্ৰাণীবিদ্যা বিভাগৰ মুৰব্বী অধ্যাপক (১৯৭৫-২০০২)দে' চাৰ কেৱল ছাত্ৰ সমাজৰে নহয়, গোটেই বাহনা অঞ্চলৰ ৰাইজৰ অতি জনপ্ৰিয় ব্যক্তি আছিল।

দে' চাৰ আছিল অত্যন্ত কলা সুলভ গুণেৰে পূৰ্ণ এজন সফল ব্যক্তি। কেৰমকে আদি কৰি বিভিন্ন খেল-ধেমালি, অভিনয় আদিত তেখেতে দক্ষতাৰ পৰিচয় দিয়াৰ লগতে বহুত বছৰলৈকে মহাবিদ্যালয়ৰ ক্ৰীড়া বিভাগৰ দায়িত্ব বহন কৰিছিল। ছাত্ৰ একতা সভাৰ সভাপতি হিচাপে দায়িত্ব বহন কৰাৰ উপৰিও শিক্ষক গোটৰ সম্পাদক হিচাপেও তেখেতে নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিছিল। যোৰহাট শিক্ষক সমাৰোহত 'কেৰম' প্ৰতিযোগিতাত তেখেতৰ খেলৰ পটুতা দেখি সকলো অভিভূত হৈ পৰিছিল।

শিক্ষক হিচাপে তেখেতৰ কৃতিত্ব এতিয়াও ছাত্ৰ-ছাত্ৰীয়ে শ্ৰদ্ধাৰে সোঁৱৰে। সহকৰ্মীসকলে দে' চাৰৰ লগত কৰা হাঁহি-ধেমালিকে আদি কৰি শৈক্ষিক দিশবোৰৰ আলোচনাৰ সেই সৰৱ মুহূৰ্ত্তবোৰ আজিও জীয়াই ৰাখিব খোজে। সেয়ে শিক্ষকসকলৰ মাজত বছৰি হোৱা কেৰম খেলৰ প্ৰতিযোগিতা খনি তেখেতৰ নামত উচৰ্গা কৰি আহিছে। প্ৰতিযোগিতাখনিত হোৱা যাৱতীয় খৰচ প্ৰাণীবিদ্যা বিভাগে বহন কৰি আহিছে।

কিছুদিন যকৃতৰ ৰোগত ভুগি ২০০২চনৰ ২৬মাৰ্চত শুভাকাংখীসকলক কন্দুৱাই তেখেতে নশ্বৰ দেহ ত্যাগ কৰিলে। তেখেতৰ সুযোগ্যা পত্নী শ্ৰীযুতা স্বপ্না দে, সুযোগ্য সন্তান দ্বয় শিৱাজী আৰু দেৱাশ্ৰীৰ ভৱিষ্যত সুন্দৰ আৰু মঙ্গলময় হওঁক।

আমাৰ শ্ৰদ্ধাৰ প্ৰয়াত দে চাৰৰ সোঁৱৰণত বিভাগীয় আলোচনী 'প্ৰকৃতি'ৰ প্ৰথম সংস্কৰণটি উচৰ্গা কৰা হ'ল।